# BELIEVERS EASTERN CHURCH

World Church Headquarters, St Thomas Community
Thiruvalla - 689 103, Kerala, India

## ৰখীয়াৰ পত্ৰ

অক্টোবৰ/ নৱেম্বৰ ২০২৫

মোৰ প্ৰিয় ৰখীয়াসকল আৰু পবিত্ৰ মণ্ডলীৰ সকলো বিশ্বাসীসকললৈ

পিতৃ, পুত্ৰ আৰু পবিত্ৰ আত্মা এক ঈশ্বৰৰ নামত, । আমেন✠

আৰম্ভণিতে কওঁ যে আপোনালোকলৈ লিখিবলৈ পাই কিমান আনন্দ আৰু সৌভাগ্যৰ বিষয়। মই আপোনালোকৰ আত্মিক পিতৃ হিচাপে পঠোৱা এই চিঠিবোৰ গুৰুত্বপূৰ্ণ কাৰণ ইয়াৰ দ্বাৰা মোক এই কালত আমাৰ মণ্ডলীৰ বাবে ঈশ্বৰে মোৰ হৃদয়ত কি ৰাখিছে তাক ভাগ-বতৰা কৰিবলৈ আৰু আপোনালোকক সোঁৱৰাই দিবলৈ অনুমতি দিয়ে যে মই আপোনালোকৰ প্ৰত্যেককে কিমান গভীৰভাৱে মূল্য দিওঁ। মণ্ডলীৰ বিশ্বপ আৰু পিতৃসকলে নিজৰ জাকলৈ লিখাৰ প্ৰথা খ্ৰীষ্টিয়ানিটিৰ প্ৰথম শতিকাৰ পৰাই আৰম্ভ হয়। এনে বহুতো চিঠি আজিও সংৰক্ষিত হৈ আছে। আমি যে বিচ্ছিন্ন বা স্বাধীন নহয়, সেই কথা সম্পূৰ্ণৰূপে জানি যে মণ্ডলীৰ ঐক্য শক্তিশালী কৰিবলৈ সেইবোৰ ব্যৱহাৰ কৰা হৈছিল; আমি খ্ৰীষ্টৰ শৰীৰৰ অংগ। মণ্ডলীক অনুসৰণ কৰাটো হৈছে খ্ৰীষ্টক অনুসৰণ কৰা, যিজন তাইৰ মূৰ।

চেন্ট চাইপ্ৰিয়ানে কোৱাৰ দৰে:

"যিজনৰ মাকৰ বাবে মণ্ডলী নাই, তেওঁৰ পিতৃৰ বাবে ঈশ্বৰও নাই।"

### মণ্ডলীৰ কেলেণ্ডাৰ

ঐক্যৰ এটা গুৰুত্বপূৰ্ণ উপায় হ'ল মণ্ডলীৰ কেলেণ্ডাৰ। ই আমাৰ অহংকাৰী মনক নম্ৰ কৰে আৰু যীচু খ্ৰীষ্টক দৈনন্দিন জীৱনৰ কেন্দ্ৰবিন্দুত ৰাখে। ই সময়ক নিজেই পবিত্ৰ কৰে—দিন, সপ্তাহ আৰু মাহ—আত্মিক ক্ষেত্ৰলৈ তুলি লয়। কেলেণ্ডাৰে আমাক খ্ৰীষ্টৰ জীৱন আৰু পৰিত্ৰাণৰ ইতিহাসৰ মাজেৰে পথ প্ৰদৰ্শন কৰে আৰু আমাক পৰ্ব, উপবাস আৰু পবিত্ৰ লোকসকলৰ স্মৃতিৰ এক ভাগ কৰা ছন্দত একত্ৰিত কৰি, আমাক একেলগে পবিত্ৰতালৈ লৈ যায়।

মহান চেন্ট বেচিলে আমাক সোঁৱৰাই দিয়াৰ দৰে:

*"মণ্ডলীয়ে আমাৰ ওপৰত বোজা দিবলৈ নহয়, বৰঞ্চ আমাৰ আত্মাক প্ৰশিক্ষণ দিবলৈ আৰু আমাৰ হৃদয়ক ঈশ্বৰৰ প্ৰতি নিৰ্দেশিত কৰি ৰাখিবলৈ উপবাস আৰু পৰ্ব নিৰ্ধাৰণ কৰে।"*

চেন্ট জন ক্ৰাইছষ্টমে আমাক আৰু উৎসাহিত কৰিছে:

*"আহক আমি মণ্ডলীয়ে নিযুক্ত কৰা পৰ্ববোৰক অৱহেলা নকৰোঁ, কিয়নো সেইবোৰত আমি শিক্ষা আৰু আত্মিক পুষ্টি লাভ কৰোঁ।"*

সেইবাবে, মোৰ প্ৰিয়সকল, ঈশ্বৰ-কেন্দ্ৰিক জীৱন যাপন কৰিবলৈ মণ্ডলীৰ কেলেণ্ডাৰক আকোৱালি ল'বলৈ উৎসাহিত কৰিছো।

<u>নতুন লিটাৰ্জিকেল বছৰ</u>

বিলিভাৰ্ছ ইষ্টাৰ্ন চাৰ্চে ২০২৫ চনৰ ২ নৱেম্বৰত নতুন লিটাৰ্জিকেল বছৰত প্ৰৱেশ কৰিবলৈ সাজু হৈছে। নতুন লিটাৰ্জিকেল বছৰৰ বাবে মণ্ডলীৰ কেলেণ্ডাৰ আৰু লেকশ্যচনেৰী আপোনাৰ ব্যক্তিগত কপি লাভ কৰিবলৈ উপলব্ধ হ'ব।

<u>বিশ্বাসীসকলৰ বাবে নিৰ্দেশনা</u>

- ইয়াৰ বাবে বিচাৰক: আপোনাৰ পাৰিছৰ পুৰোহিতৰ পৰা এটা কপি বিচাৰিব। আপোনাৰ পৰিয়ালৰ অন্ততঃ এটা থকাটো নিশ্চিত কৰক, আৰু আপোনাৰ ঘৰৰ এনে এটা বিশিষ্ট ঠাইত ওলোমাই থওক য'ত সকলোৰে চাব পাৰে।

- পঢ়ক: পৰিয়ালৰ সৈতে কেলেণ্ডাৰখনৰ মাজেৰে যাওক। ইষ্টাৰ, মহালেণ্ট, আৰু অন্যান্য গুৰুত্বপূৰ্ণ কালৰ দৰে পৰ্ব আৰু উপবাসৰ তাৰিখ লক্ষ্য কৰক, যাতে আপুনি সেইবোৰ সঠিকভাৱে পালন কৰিব পাৰে।

- ইয়াৰ সৈতে পৰিকল্পনা কৰক: মহালেণ্ট আমাৰ মণ্ডলীত এটা উল্লেখযোগ্য কাল। সকলো প্যাৰিছৰ প্ৰাৰ্থনা আৰু সেৱাত অংশগ্ৰহণ কৰাত অগ্ৰাধিকাৰ দিয়ক। উপবাসৰ পদ্ধতি অনুসৰণ কৰক—মাংস পৰিহাৰ কৰক, ফোন ব্যৱহাৰ বা অপ্ৰয়োজনীয় ধন আৰু সময় খৰচ সীমিত কৰক আৰু আপুনি যিখিনি জমা ৰাখে তাক দান-বৰঙণিৰ বাবে ব্যৱহাৰ কৰক। এই ৪০ দিনৰ আত্মিক বৃদ্ধিৰ ওপৰত সম্পূৰ্ণ মনোযোগ দিবলৈ অন্যান্য সমৰ্পণৰ ব্যৱস্থা কৰক। সহায়ৰ প্ৰয়োজন হোৱা অঞ্চলৰ বাবে আপোনাৰ পাৰিছৰ পুৰোহিতৰ পৰা নিৰ্দেশনা লওক।

- ইয়াক গতাই দিয়ক: আপোনাৰ ল'ৰা-ছোৱালীক মণ্ডলীৰ কেলেণ্ডাৰ অনুসৰণ কৰাৰ গুৰুত্বপূৰ্ণতাক শিকাওক। যদিও তেওঁলোক পঢ়া-শুনা বা কাম কৰি আঁতৰত থাকে, তথাপিও তেওঁলোকক সেইটো পালন কৰিবলৈ উৎসাহিত কৰক। শিশুসকলে আমাক চাই শিকে, গতিকে পিতৃ-মাতৃ আৰু বয়োজ্যেষ্ঠসকলে আদৰ্শ দেখুৱাই নেতৃত্ব দিব লাগিব। এই জীৱন-ধাৰণৰ পদ্ধতি পৰৱৰ্তী প্ৰজন্মলৈ গতাই দিয়াটো ঈশ্বৰে আমাক দিয়া এটা দায়িত্ব।

<u>পুৰোহিত সকলৰ বাবে নিৰ্দেশনা</u>

- ৰখীয়া হওক: মণ্ডলীৰ কেলেণ্ডাৰ অনুসৰণ কৰাত আপোনাৰ প্যাৰিছক কোমলভাৱে পথ প্ৰদৰ্শন কৰক। আদৰ্শৰে নেতৃত্ব দিয়ক, কিয়নো আপোনাৰ প্যাৰিছৰ সদস্যসকলে আপোনাক যি দেখিছে তাক অনুসৰণ কৰিব।

- কেলেণ্ডাৰ কঠোৰভাৱে পালন কৰক: সুবিধা বা আন কোনো কাৰণত কোনো পৰ্ব, উপবাস, বা স্মৃতিচাৰণ বাদ নিদিব বা অৱহেলা নকৰিব। পবিত্ৰ চিন'ডৰ নিৰ্দেশনা অনুসৰি প্ৰতিটো মণ্ডলীৰ অনুষ্ঠানৰ বাবে প্ৰয়োজনীয় সকলো উপাদানকে ধৰি মণ্ডলীৰ মুখ্য কাৰ্যালয়ে প্ৰদান কৰা কেলেণ্ডাৰ আৰু লিটাৰ্জী মানি চলক।

- শিকিবলৈ আগ্ৰহী হওক: যদি আপুনি নজনা কিবা আছে, তেন্তে নম্ৰভাৱে আপোনাৰ ডায়চিচ বিশ্বপ আৰু বা ডায়চিচ ভিকাৰৰ পৰা পথ প্ৰদৰ্শন বিচাৰক। আপুনি ইতিমধ্যে জনা কথাবোৰত কেতিয়াও সন্তুষ্ট নহ'ব; সদায় অধিক জানিবলৈ চেষ্টা কৰক।

- লেকশ্যনেৰী ব্যৱহাৰ কৰক: লেকশ্যনেৰীখন প্ৰাৰ্থনাৰ সৈতে যত্নেৰে প্ৰস্তুত কৰা হৈছে। অংশ আৰু বিষয়বস্তুৰে খ্ৰীষ্টক আঙুলিয়াই দিয়ে আৰু বিশ্বাসীসকলক পবিত্ৰ মণ্ডলীৰ বিশ্বাস আৰু পৰম্পৰাত বৃদ্ধি কৰাত সহায় কৰে। অধ্যৱসায়ীভাৱে অনুসৰণ কৰক।

মোৰ প্ৰিয়সকল, যীচুৱে তেওঁৰ মহাপুৰোহিতৰ প্ৰাৰ্থনাত কৈছিল, *"সত্যতাত তেওঁবিলাকক পবিত্ৰ কৰা, তোমাৰ বাক্যেই সত্য"* (যোহন ১৭:১৭-১৯) — আৰু এই জগতত আমাৰ লক্ষ্য এইটোৱেই হৈয়েই আছে: মনপালটনৰ পথত অটল হৈ থকা, সিদ্ধ হোৱা আৰু ঈশ্বৰৰ সাদৃশ হোৱা। এই জগতৰ পৰীক্ষা আৰু আৰ্হিবোৰ আমি প্ৰায়ে উপলব্ধি কৰাতকৈ শক্তিশালী, আৰু সতৰ্কবাণী অবিহনে, ই আমাক ঈশ্বৰ আৰু তেওঁৰ পবিত্ৰ মণ্ডলীৰ পৰা আঁতৰাই নিব পাৰে। সেইবাবেই পাঁচনি

পৌলে আমাক সতৰ্ক কৰি দিছে: "এই জগতৰ অনুৰূপ নহ'বা" (ৰোমীয়া ১২:২)। আমি নিজাববীয়াকৈ এই কাম কৰিব নোৱাৰো; আমাক সহায়ৰ প্ৰয়োজন। মণ্ডলীৰ পিতৃসকলে সেই সহায় আগবঢ়োৱাৰ এটা উপায় হৈছে মণ্ডলীৰ কেলেণ্ডাৰৰ যোগেদি — আহিবলগীয়া ঈশ্বৰৰ ৰাজ্যখনৰ ওপৰত আমাৰ চকু দৃঢ়ভাৱে নিবদ্ধ কৰি ৰাখিবলৈ এটা পথ প্ৰদৰ্শক হয়।

পবিত্ৰ✠ ত্ৰিত্ব ঈশ্বৰ—পিতৃ, পুত্ৰ আৰু পবিত্ৰ আত্মাই—আপোনালোকৰ হৃদয় আৰু মনক আলোকিত কৰক, ঈশ্বৰৰ জ্ঞানত বৃদ্ধি পাবলৈ আপোনালোকৰ চকু মুকলি কৰক আৰু পবিত্ৰ থিয়'ট'ক'ছ আৰু সকলো পবিত্ৰ লোকসকলৰ মধ্যস্থতাৰ দ্বাৰা আমি পবিত্ৰ মণ্ডলীৰ দ্বাৰা স্থাপন কৰা আৰ্হি অনুসৰি জীৱন-যাপন কৰিবলৈ সক্ষম হওক, অনাদিকাল, এতিয়া আৰু সদায়।✠ আমেন।

খ্ৰীষ্টত আপোনালোকৰ আত্মিক পিতৃ



**ম'ৰান ম'ৰ চামূৱেল থিয়'ফিলাছ মেট্ৰ'পলিটান ✠**

তাৰিখঃ ২ অক্টোবৰ ২০২৫

স্থানঃ ওৱৰ্ল্ড চাৰ্চ হেডকুৱাটাৰ

---

**বিঃদ্ৰঃ** অনুগ্ৰহ কৰি নিশ্চিত হওক যে এইটো সকলো আঞ্চলিক ভাষালৈ অনুবাদ কৰা হয় আৰু বিশ্বাসীসকলৰ উৎসাহৰ বাবে সকলো পাৰিচতে পঢ়া হয়।